**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জৰ্দান, ইথিঅ'পিয়া আৰু অ'মানৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰে কিছুসময় পূৰ্বে আম্মানত উপস্থিত হৈছে।

২। বিকশিত ভাৰত শিক্ষা অধিষ্ঠান বিধেয়ক ২০২৫ আজি লোকসভাত উত্থাপন কৰাৰ পিছত সংসদৰ যুটীয়া সমিতিলৈ পুনৰীক্ষণৰ বাবে প্ৰেৰণ কৰা হৈছে।

৩। ৰাজ্যসভাত আজি নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত আলোচনা পুনৰ আৰম্ভ হয়।

৪। জাপানত ভাৰতৰ ৰাষ্ট্ৰদূত মনোনীত নাউমা মহম্মদ মল্লিকে আজি জাপানৰ প্ৰতিনিধি সভাৰ অধ্যক্ষ ফুকুশিৰো নুকাগাক টকিঅ'ত সাক্ষাৎ কৰে। ***আৰু***

৫। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বজয়ী ভাৰতীয় স্কোৱাচ দলটোক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জৰ্দান, ইথিঅ'পিয়া আৰু অ'মানৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰে কিছুসময় পূৰ্বে আম্মানত উপস্থিত হৈছে। জৰ্দানৰ প্ৰধানমন্ত্ৰী ড০ জাফৰ হাচানে শ্ৰীমোদীক বিমান বন্দৰত আনুষ্ঠানিকভাৱে আদৰণি জনায়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে বিমান বন্দৰত জনোৱা উষ্ম আদৰণিৰ বাবে জাফৰ হাচানলৈ ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয় যে এই ভ্ৰমণে দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কক অধিক দৃঢ় কৰি তুলিব বুলি তেওঁ নিশ্চিত।

উল্লেখযোগ্য যে জৰ্দানৰ ৰজা আব্দুলা দ্বিতীয় বিন অল হুছেইনৰ আমন্ত্ৰণমৰ্মে শ্ৰীমোদী জৰ্দানলৈ গৈছে। জৰ্দানলৈ ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে তেওঁৰ এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত তেওঁ জৰ্দানৰ ৰজা আব্দুলা আৰু প্ৰধানমন্ত্ৰী জফৰ হাছানৰ সৈতে বৈঠকত মিলিত হ'ব। ভাৰত-জৰ্দানৰ সু-সম্পৰ্ক সুনিশ্চিত কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা আম্মানস্থিত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলকো প্ৰধানমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত সাক্ষাৎ কৰিব। উল্লেখযোগ্য যে শ্ৰীমোদীৰ এই ভ্ৰমণ কাৰ্যসূচী দুয়োখন দেশৰ মাজত থকা কূটনৈতিক সম্পৰ্কৰ ৭৫ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি গ্ৰহণ কৰা হৈছে।

আম্মান ভ্ৰমণৰ পাছত শ্ৰীমোদী কাইলৈ ইথিঅ'পিয়াৰ ৰাজধানী চহৰ আদ্দিছ আবাবালৈ যাব। ইথিঅ'পিয়াৰ প্ৰধানমন্ত্ৰী ড০ আবি আহমেদ আলীৰ সৈতে বৈঠকত মিলিত হোৱাৰ লগতে শ্ৰীমোদীয়ে আদ্দিছ আবাবাত ভাৰতীয় মূলৰ লোকসকলক সাক্ষাৎ কৰিব।

ভ্ৰমণকালৰ শেষৰ পৰ্যায়ত শ্ৰীমোদী পৰহিলৈ অ'মানৰ মাস্কাটত উপস্থিত হ'ব। ভাৰত আৰু অ'মানৰ মাজত থকা কূটনৈতিক সম্পৰ্কৰ ৭০ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে এই ভ্ৰমণ কাৰ্যসূচী হাতত লোৱা হৈছে। মাস্কাটত প্ৰধানমন্ত্ৰী মোদীয়ে অ'মানৰ চুলতানৰ সৈতে বিভিন্ন আলোচনাত মিলিত হ'ব।

০০০০

বিকশিত ভাৰত শিক্ষা অধিষ্ঠান বিধেয়ক ২০২৫ আজি লোকসভাত উত্থাপন কৰাৰ পিছত সংসদৰ যুটীয়া সমিতিলৈ পুনৰীক্ষণৰ বাবে প্ৰেৰণ কৰা হৈছে। সদন দ্বিতীয়বাৰ স্থগিত হোৱাৰ পাছত আজি দুপৰীয়া দুই বজাত পুনৰ মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে বিধেয়কখন লোকসভাত উত্থাপন কৰে। অৱশ্যে বিৰোধী দলৰ সদস্যসকলে এই বিধেয়কখন উত্থাপনৰ বিৰোধিতা কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে কাৰ্য উপদেষ্টা সমিতিৰ বৈঠকত কেইবাগৰাকীও সাংসদে বিধেয়কখনৰ সন্দৰ্ভত ব্যাপক বিচাৰ বিবেচনাৰ ক্ষেত্ৰত জোৰ দিছিল। তেওঁ কয় যে তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰি চৰকাৰে এই বিধেয়ক পৰৱৰ্তী পৰ্যায়ত ব্যাপক পুনৰীক্ষণৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰিছে। শ্ৰীৰিজিজুৱে লোকসভাৰ অধ্যক্ষক সমিতি গঠনৰ উদ্দেশ্যে সদস্য নিযুক্তিৰ বাবেও অনুৰোধ জনায়। বিকশিত ভাৰত শিক্ষা অধিষ্ঠান বিধেয়কৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ সৰলীকৰণ আৰু অন্যান্য উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ শিক্ষণ, শিকন, গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত অধিক সফল কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে বিধেয়কখনৰ জৰিয়তে এখন বিকশিত ভাৰত শিক্ষা অধিষ্ঠান গঢ়ি তুলিবলৈ বিচৰা হৈছে, যাৰ জৰিয়তে বিশ্ববিদ্যালয় আৰু এই উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক স্বাধীনচিতিয়া আৰু স্বপৰিচালিত প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলা হ'ব। এই বিধেয়কত বিকশিত ভাৰত শিক্ষা অধিষ্ঠানৰ লগতে ৩ খন পৰিষদ, বিকশিত ভাৰত শিক্ষা বিনিয়মন পৰিষদ, বিকশিত ভাৰত শিক্ষা গুণৱত্তা পৰিষদ আৰু বিকশিত ভাৰত শিক্ষা মানক পৰিষদ গঠনৰো ব্যৱস্থা ৰখা হৈছে। তদুপৰি বিধেয়কখনত বিশ্ববিদ্যালয় অনুদান আয়োগ আইন ১৯৫৬, অখিল ভাৰতীয় প্ৰযুক্তি শিক্ষা পৰিষদ আইন ১৯৮৭ আৰু ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ আইন ১৯৯৩ আইনকেইখন ৰদ কৰাৰ ব্যৱস্থা কৰা হৈছে।

০০০০

ৰাজ্যসভাত আজি নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত আলোচনা পুনৰ আৰম্ভ হয়। বিতৰ্কত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰৰ সংস্কাৰ, কাৰ্যকৰণ আৰু ৰূপান্তৰৰ আদৰ্শৰে পৰিচালিত হৈ আমাৰ ৰাষ্ট্ৰ বিকাশৰ পথত দ্ৰুতগতিৰে আগবাঢ়িছে। বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়াক একেমুখে সমৰ্থন আগবঢ়াই শ্ৰীমেঘৱালে কয় যে এই প্ৰক্ৰিয়াৰ জৰিয়তে সকলো ভুৱা ভোটদাতাৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা উচিত। বৰ্তমানৰ চৰকাৰ সংস্কাৰ সাধনৰ দিশে বদ্ধ পৰিকৰ বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

আলোচনাত অংশগ্ৰহণ কৰি এ আই এম ডি এম কে দলৰ ড০ এম থাম্বিদুৰাই কয় যে নিকা আৰু শুদ্ধ ভোটাৰ তালিকাই গণতন্ত্ৰক শক্তিশালী কৰাৰ লগতে স্বচ্ছ ভোটাৰ তালিকাই ভোটদাতাসকলক সৱল কৰে। আৰ জে দিৰ সঞ্জয় য়াদৱে দেশৰ ভোটাৰ তালিকাৰ সংস্কাৰৰ জৰিয়তে নিৰ্বাচন আয়োগৰ শক্তি বৃদ্ধি পাব বুলি মন্তব্য কৰে।

শিৱসেনাৰ মুৰলী মিলিন্দ দেওৰাই বিশেষ পুংখানুপুংখ সংশোধনী এটা সময়োপযোগী আৰু এটি প্ৰয়োজনীয় প্ৰক্ৰিয়া বুলি প্ৰকাশ কৰে।

০০০০

জাপানত ভাৰতৰ ৰাষ্ট্ৰদূত মনোনীত নাউমা মহম্মদ মল্লিকে আজি জাপানৰ প্ৰতিনিধি সভাৰ অধ্যক্ষ ফুকুশিৰো নুকাগাক টকিঅ'ত সাক্ষাৎ কৰে। এটা বাৰ্তাত ভাৰতীয় দূতাবাসে কয় যে মল্লিক আৰু অধ্যক্ষ নুকাগাই ভাৰত-জাপান সম্পৰ্কৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। যোৱা শুকুৰবাৰে মল্লিকে জাপানৰ প্ৰধানমন্ত্ৰীৰ বিশেষ উপদেষ্টা ইউন' য়চিমাচাক সাক্ষাৎ কৰি দ্বিপাক্ষিক সহযোগিতাৰে বিভিন্ন সুযোগ সুবিধা সম্পৰ্কে আলোচনা কৰে। ইয়াৰ পূৰ্বে তেওঁ য়ামাগুচিৰ গৱৰ্নৰ চুগুিমাছা মুৰাঅ'কা আৰু য়ামাগুচিৰ প্ৰান্তীয় বিধানসভাৰ অধ্যক্ষৰ সৈতেও আলোচনাত মিলিত হয়। যোৱা ২৩ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জোহান্সবাৰ্গত জি-২০ সন্মিলনৰ সুযোগতে জাপানৰ প্ৰধানমন্ত্ৰী চানাএ টাকাইচিক সাক্ষাৎ কৰে। তেওঁলোকে উদ্ভাৱন, প্ৰতিৰক্ষা আৰু দুয়োখন ৰাষ্ট্ৰৰ মাজৰ মেধাৱী লোকৰ আহ যাহ সম্পৰ্কত দ্বিপাক্ষিক সহযোগিতাক অধিক গতি প্ৰদানৰ উপায় সম্পৰ্কে আলোচনা কৰে।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰি ৰাজ্যখনৰ বিত্তীয় ক্ষেত্ৰৰ বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰে। এই আলোচনাত ৰাজ্যখনৰ উন্নয়ন আৰু জনকল্যাণৰ লক্ষ্যৰে কেইবাটাও বিষয়ত গুৰুত্ব আৰোপ কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অসমৰ বিকাশৰ যাত্ৰাত নিৰন্তৰ সমৰ্থন আগবঢ়াই অহাৰ বাবে কেন্দ্ৰীয় বিত্তীমন্ত্ৰীগৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০

ভাৰতীয় জনতা পাৰ্টিয়ে সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত পাণ্ডাক নিৰ্বাচনী তত্বাৱধায়ক হিচাপে নিযুক্তি দিছে। দলে লগতে বিধায়ক আৰু জম্মু-কাশ্মীৰ বিধানসভাত বিৰোধী দলৰ নেতা সুনীল কুমাৰ শৰ্মা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দৰ্শনা বেন জৰ্ডোছক এই নিৰ্বাচনৰ সহ-তত্বাৱধায়ক হিচাপে নিযুক্তি দিছে।

০০০০

উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পিয়ুছ গোৱেলে আজি বিগত এঘাৰ বছৰত দেশৰ সৌৰ শক্তি উৎপাদন ৪৬ শতাংশ বৃদ্ধি পাইছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি শক্তি খণ্ডৰ বিকাশ সম্পৰ্কে সংবাদ মাধ্যমক উদ্দেশ্যি দিয়া ভাষণত তেওঁ কয়, যে ভাৰত সম্প্ৰতি কয়লা সংশোধনৰ ক্ষেত্ৰত বিশ্বৰ চতুৰ্থ বৃহৎ কেন্দ্ৰত পৰিণত হৈছে। তেওঁ কয় যে কয়লাৰ উৎপাদন যোৱা বছৰ ১০ কোটি টনতকৈও অধিক হৈছে আৰু ইয়াৰ আমদানি ৮ শতাংশ হ্ৰাস পাইছে। মন্ত্ৰীগৰাকীয়ে লগতে বতাহৰ পৰা উৎপন্ন হোৱা শক্তিও সম্প্ৰতি ৫৩ গিগাৱাটলৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰে। শ্ৰীগোৱেলে ২০১৪ চনৰ পাছত চৰকাৰে কেৱল ফলাফলৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি আহিছে আৰু শক্তিখণ্ডত বিগত এঘাৰটা বছৰত অতি গুৰুত্বপূৰ্ণ পৰিৱৰ্তন দেখিবলৈ পোৱা গৈছে বুলিও উল্লেখ কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বজয়ী ভাৰতীয় স্কোৱাচ দলটোক অভিনন্দন জ্ঞাপন কৰিছে। কালি চেন্নাইত অনুষ্ঠিত স্কোৱাচ বিশ্বকাপৰ ফাইনেলত দলটোৱে ইতিহাস সৃষ্টি কৰি খিতাপ দখল কৰে। ফাইনেলত ঘৰুৱা দলটোৱে বিশ্বৰ শীৰ্ষস্থানীয় হংকঙক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পুৰুষ আৰু মহিলা খেলুৱৈৰে গঠিত স্কোৱাচৰ দলটোৱে এই সাফল্যৰ জৰিয়তে দেশবাসীক গৌৰবান্বিত কৰিলে বুলি মন্তব্য কৰি দলটোৰ উজ্বল ভৱিষ্যতৰ কামনা কৰে।

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এই জয়ক ঐতিহাসিক আখ্যা দি খেলুৱৈসকলৰ অতুলনীয় দক্ষতা, নিষ্ঠা আৰু অধ্যৱসায়ৰ ভূয়সী প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সাফল্যৰ বাবে ভাৰতীয় দলটোক অভিনন্দন জনাই কয় যে দলটোৰ জ্যোৎস্না চিনাপ্পা, অভয় সিং, ভি চেন্থিল কুমাৰ আৰু অনাহাত সিঙে দৃঢ়তা আৰু নিষ্ঠাৰে নিজৰ দক্ষতা প্ৰতিপন্ন কৰিছে। ইয়াৰ ফলত নতুন প্ৰজন্মৰ খেলুৱৈসকল এই ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই সাফল্যৰ বাবে ভাৰতীয় দলটোক অভিনন্দন জ্ঞাপন কৰি দিয়া বাৰ্তাত এই সফলতাৰে দলটোৱে দেশৰ বাবে গৌৰৱময় ইতিহাস ৰচনা কৰিলে বুলি উল্লেখ কৰে। তেওঁলোকৰ অদম্য উৎসাহে উদীয়মান খেলুৱৈসকলক উৎসাহিত কৰিব বুলি শ্ৰীশ্বাহে প্ৰকাশ কৰে।

0000

ঃঃ সমাপ্ত ঃঃ